**REGIONAL NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 19-01-2025
**Time :** 1715 hrs

ASSAMESE EVENING BULLETIN
**::::::::::::::::::**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মন কী বাত অনুষ্ঠানত হাতী মানুহৰ সংঘাত দূৰ কৰিবলৈ অসমৰ নগাঁও জিলাৰ হাতীবন্ধু নামৰ সংগঠনটোৱে গ্ৰহণ কৰা পদক্ষেপক ভূয়সী প্ৰশংসা কৰে। অনুষ্ঠানত মানুহ আৰু বন্যপ্ৰাণীৰ সহাৱস্থানৰ কথা উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে ভাৰতীয় সংস্কৃতি আৰু ঐতিহ্যই আমাৰ চৌপাশৰ জন্তু আৰু চৰাইৰ সৈতে মৰম আৰু সহনশীলতাৰে বসবাস কৰিবলৈ শিকাইছে। তেওঁ হাতী আৰু মানুহৰ সংঘাতৰ কথা উল্লেখ কৰি সংগঠনটোৱে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপ সন্দৰ্ভত অৱগত কৰে। গাঁওবাসীয়ে ৮০০ বিঘা অনুৰ্বৰ ভূমিত নেপিয়াৰ ঘাঁহ খেতি কৰি হাতীক খাদ্যৰ যোগান ধৰি আহিছে, যাৰ ফলত বৃহত্তৰ অঞ্চলটোৰ কৃষিপথাৰত হাতীৰ উপদ্ৰৱ তুলনামূলকভাৱে হ্ৰাস পাইছে। ইয়াৰ লগতে হাতী-মানুহৰ সংঘাতো কিছু পৰিমাণে নিৰ্মূল কৰাত সহায়ক হৈছে। উল্লেখযোগ্য যে গুৱাহাটীৰ প্ৰদীপ ভূঞা, বিনোদ দুলু বৰা আৰু মেঘনা ময়ূৰ হাজৰিকা নামৰ কেইগৰাকীমান প্ৰকৃতিপ্ৰেমীয়ে হাতীবন্ধুৰ হৈ এই পদক্ষেপ গ্ৰহণ কৰিছিল। হাতী মানুহৰ সংঘাতক লৈ কৃপাল কলিতাৰ দ্বাৰা পৰিচালিত হাতীবন্ধু শীৰ্ষক তথ্যচিত্ৰখনেও বহুল সমাদৰ লাভ কৰিছে। মন কী বাতত প্ৰধানমন্ত্ৰীয়ে হাতীবন্ধুৰ এই প্ৰচেষ্টাৰ কথা উল্লেখ কৰাৰ পাছত বিনোদ দুলু বৰাই প্ৰধানমন্ত্ৰীক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

০০০০০

অসম প্ৰদেশ বিজেপিৰ সভাপতি দিলীপ শইকীয়াই আজি ঐতিহ্যমণ্ডিত বৰপেটা সত্ৰ দৰ্শন কৰে। বিজেপিৰ নৱনিযুক্ত সভাপতিগৰাকীয়ে সত্ৰৰ সমীপৰ নহাটীত দলীয় কৰ্মকৰ্তা আৰু ৰাইজৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ মন কী বাত অনুষ্ঠানটিও শুনে। শ্ৰীশইকীয়াই ইয়াৰ পাছত পুনৰ সত্ৰত উপস্থিত হৈ কীৰ্তন ঘৰৰ চৌদিশ পৰিদৰ্শন কৰে। সভাপতিগৰাকীয়ে ৰাজ্য চৰকাৰে সত্ৰ, নামঘৰ আদিকে ধৰি ধৰ্মীয় স্থানসমূহৰ উন্নয়নৰ বাবে শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিছে বুলি জানিবলৈ দিয়ে। বিশেষকৈ অসম দৰ্শন আঁচনিৰ অধীনত সত্ৰ, নামঘৰ আদিত যথেষ্ট উন্নয়ন সাধন কৰা হৈছে বুলি তেওঁ কয়। বৰদোৱাৰ দৰে বৰপেটা সত্ৰ উন্নয়নৰ বাবেও অসম চৰকাৰে পদক্ষেপ গ্ৰহণ কৰা বুলি উল্লেখ কৰি শ্ৰীশইকীয়াই কয়,যে বৰপেটাতে মহাপুৰুষ দুজনাই অধিক সময় অতিবাহিত কৰিছিল। সেয়েহে বৰপেটাত থকা গুৰু দুজনাৰ স্মৃতি আৰু কৰ্মৰাজিৰ সংৰক্ষণৰ বাবে চৰকাৰে কাম কৰি আহিছে আৰু আগন্তুক দিনত যথেষ্ট কাম কৰিব। ইয়াৰ বাবে ৰাইজৰ সহযোগিতা লাগিব বুলি প্ৰকাশ কৰি সভাপতিগৰাকীয়ে সত্ৰত উপস্থিত হৈ যথেষ্ট আনন্দিত আৰু উৎসাহিত হোৱা বুলি কয়।

০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মহান শিক্ষাবিদ, সাহিত্যিক, প্ৰশাসক আনন্দ ৰাম বৰুৱাৰ মৃত্যু বাৰ্ষিকীত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁ এটা বাৰ্তাত কয়, যে জনজাতীয় জীৱনক সমৃদ্ধ কৰা অসম সন্তান

আনন্দ ৰাম বৰুৱা শিক্ষা, সাহিত্য আৰু প্ৰশাসনৰ ক্ষেত্ৰত এক উজ্জ্বল নক্ষত্ৰ আছিল। পণ্ডিত আনন্দ ৰাম বৰুৱা কেৱল প্ৰথম অসমীয়া প্ৰশাসনীয় বিষয়াই নহয় বৰং সংস্কৃত ভাষা আৰু সাহিত্যৰ জ্ঞানৰ বাবেও তেওঁ বিখ্যাত আছিল। এইগৰাকী মহান ব্যক্তিত্বৰ পাণ্ডিত্য, প্ৰশাসনিক দক্ষতা আৰু দেশপ্ৰেমে প্ৰতিটো প্ৰজন্মক অনুপ্ৰাণিত কৰি থাকিব। আনন্দ ৰাম বৰুৱাৰ মৃত্যু বাৰ্ষিকী উপলক্ষে বিভিন্ন দল-সংগঠনেও আজি তেওঁৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰিছে।

ooooo

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ তথা গোৱালপাৰা জিলাৰ অভিভাৱক মন্ত্ৰী অশোক সিংহলে আজি জিলাখনৰ ঐতিহাসিক উৰপদ বিলত উপস্থিত হৈ বিজেপিৰ এখন কৰ্মী সভাত অংশগ্ৰহণ কৰাৰ লগতে বিলখন পৰিদৰ্শন কৰে। বিলখন পৰিদৰ্শন কৰি তেওঁ কয়,যে ৰাজ্য চৰকাৰৰ ফালৰ পৰাও বিলখনৰ যথেষ্ট উন্নয়ন কৰা হৈছে যদিও ইয়াৰ অধিক উন্নয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰলৈ প্ৰস্তাৱ প্ৰেৰণ কৰা হৈছে। বিলখনৰ কিছু অংশ বেদখলকাৰীৰ কবলত পৰিছে। তেওঁ কয়, যে চৰকাৰে বেদখল মুক্ত কৰিবলৈ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিব। আগিয়াৰ সমীপত থকা প্ৰায় ৩হাজাৰ ৫০০ বিঘা আয়তনৰ বিলখনক অধিক আকৰ্ষণীয় কৰি তোলাৰ বাবে জিলা প্ৰশাসনে কেতবোৰ আঁচনি হাতত লৈছে। ইয়াৰে অংশ হিচাপে লোকনিৰ্মাণ বিভাগে ৩হাজাৰ ৫০০ বিঘা আয়তনৰ ভূমি আঁৱৰি থকা বিলখনৰ চাৰিওফালে ১৮ কোটি টকা ব্যয়ৰে মথাউৰি নিৰ্মাণ কৰি খোজকঢ়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে। লগতে বিলখন সংৰক্ষণৰ ব্যৱস্থা কৰি বনভোজস্থলী আৰু পৰ্যটনস্থলী হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত স্থানীয় ৰাইজেও সহযোগ আগবঢ়াইছে।

ooooo

তামুলপুৰৰ ভূটান সীমান্তত তেল মাফিয়াৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান চলাই পেট্ৰ'ল ভৰ্তি ৫খন অবৈধ বাহন জব্দ কৰাৰ লগতে ৬গৰাকী লোকক আটক কৰে। ভূটানৰ পৰা পুৱতি নিশা অবৈধভাৱে পেট্ৰ'ল আনি থকা অৱস্থাত এই বাহনসমূহ জব্দ কৰিবলৈ আৰক্ষী সক্ষম হয়। উল্লেখযোগ্য যে, ভূটানত ৬৩টকাত ক্ৰয় কৰা পেট্ৰ'ল অবৈধভাৱে তামুলপুৰ জিলাৰ বিভিন্ন প্ৰান্তৰ বজাৰত অতিৰিক্ত দামত তেল মাফিয়াসকলে বিক্ৰী কৰি আহিছে। তেল মাফিয়াৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান অব্যাহত আছে।

ooooo

বাক্সা জিলাৰ জালাহৰ তালচিকুৰ সমন্বয় ক্ষেত্ৰত যোৱা ১৭ জানুৱাৰীৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত অসম প্ৰাদেশিক যোগী সন্মিলনীৰ জালাহ অধিবেশনৰ আজি সামৰণি পৰে। এই উপলক্ষে দিনৰ ভাগত বাৰেৰহণীয়া সাংস্কৃতিক শোভাযাত্ৰাৰ লগতে বিভিন্ন জাতি জনগোষ্ঠীৰ লোকসকলে নিজৰ নিজৰ কৃষ্টি সংস্কৃতি প্ৰদৰ্শন কৰে। সন্ধিয়া অনুষ্ঠিত হ'বলগীয়া মুকলি সভাত বি টি আৰ প্ৰধান প্ৰমোদ বড়ো, মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, জয়ন্ত মল্লবৰুৱা, উৰ্খাও গৌড়া ব্ৰহ্মকে ধৰি বি টি আৰৰ কেইবাগৰাকীও কাৰ্যবাহী সদস্য, পাৰিষদৰ লগতে বহু বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে।

ooooo

সমাপ্ত